# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :16-12-2025**
**Time :** 21-25  Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২০ ডিচেম্বৰত বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ নতুন টাৰ্মিনেল মুকলি কৰাৰ লগতে গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বৰঝাৰ বিমান বন্দৰ ভ্ৰমণ কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত এইকথা সদৰি কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে বৰঝাৰ বিমান বন্দৰৰ পৰা বিজেপিৰ ৰাজ্যিক  কাৰ্যালয়লৈ যাব আৰু দলীয় কৰ্মীসকলৰ সৈতে কিছুসময় কটাব। তেওঁ কয় যে ২১ ডিচেম্বৰত পুৱা প্ৰধানমন্ত্ৰীগৰাকীয়ে গুৱাহাটীস্থিত নৌ পৰিবহন টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ ২৫-৩০ গৰাকী  শিক্ষাৰ্থীৰ সৈতে পৰীক্ষা পে চৰ্চা অৰ্থাৎ পৰীক্ষা সম্পৰ্কীয় বিষয় লৈ আলোচনা কৰিব। তেওঁ লগতে অসম আন্দোলনৰ ছহিদসকলৰ স্মৃতিত বৰাগাঁৱত নিৰ্মাণ কৰা ছহিদ স্মাৰক ক্ষেত্ৰত পৰিদৰ্শন কৰিব আৰু ৮৬০গৰাকী ছহিদলৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিব। তাৰ পিছত প্ৰধানমন্ত্ৰী ডিব্ৰুগড়লৈ যাব। তাত তেওঁ নামৰূপৰ এম’নিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, শক্তি মন্ত্ৰী প্ৰশান্ত ফুকন আৰু স্থানীয় বিধায়ক তৰংগ গগৈয়ে আজি প্ৰধানমন্ত্ৰীৰ নামৰূপৰ সভভাস্থলী পৰিদৰ্শন কৰি কাৰ্যসূচীৰ অগ্ৰগতিৰ বুজ লয়। মন্ত্ৰীদ্বয়ে প্ৰধানমন্ত্ৰীৰ ভ্ৰমণ সন্দৰ্ভত বিভাগীয় বিষয়া আৰু কৰ্মচাৰীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকতো মিলিত হয়।

০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অভিযোগনামা দাখিলৰ পাছত কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত আজি  গোচৰটোৰ প্ৰথমটো শুনানি গ্ৰহণ কৰা হয়। শুনানিৰ সময়ত গোচৰটোৰ অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, সন্দীপন গাৰ্গ, পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাক বাক্সাৰ নিকাচি কাৰাগাৰৰ পৰা আৰু অমৃতপ্ৰভা মহন্ত, শেখৰজ্যোতি গোস্বামীক হাফলং উপ কাৰাগাৰৰ পৰা আদালতৰ সৈতে সংযুক্ত কৰা হয়। আদালতে গোচৰটোৰ পৰৱৰ্তী বিচাৰ প্ৰক্ৰিয়াৰ বাবে কামৰূপ মহানগৰ জিলা আৰু চেছন আদালতলৈ প্ৰেৰণ কৰে। আদালতে অভিযুক্তসকলক পৰৱৰ্তী শুনানিৰ বাবে ২২ ডিচেম্বৰত আদালতত হাজিৰ কৰোৱাৰ নিৰ্দেশ দিয়ে। ইপিনে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বৰপেটাত আজি মহিলা উদ্যমিতা আঁচনিৰ ধন বিতৰণ কৰাৰ পাছত সাংবাদিকৰ আগত কেইবাটাও বিষয় সন্দৰ্ভত মন্তব্য কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত আৰক্ষীয়ে আদালতত দাখিল কৰা অভিযোগনামা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে

তদন্তকাৰী গোটে আদালতত দাখিল কৰা অভিযোগনামাখনক একাংশ লোকে সমালোচনা কৰি তদন্ত প্ৰক্ৰিয়াটোত বিভ্ৰান্তিৰ সৃষ্টি কৰিব বিচাৰিছে। আৰক্ষীৰ তদন্ত সন্দৰ্ভত তেওঁ এইদৰে কয়ঃ

বাইট

ইফালে, অগপৰ ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই আজি জনতাৰ শিল্পী জুবিন গাৰ্গক ভাৰত ৰত্ন প্ৰদানৰ বাবে ৰাজ্যসভাত দাবী উত্থাপন কৰে।

000

অসম আৰক্ষীত খালী হৈ থকা দুহেজাৰ ৩৫০ টা পদ পূৰণ কৰাৰ বাবে বিভাগটোৱে বিজ্ঞাপন প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। প্ৰকাশ কৰা বিজ্ঞাপন অনুসৰি ৪৮ টা উপ-পৰিদৰ্শক, ৩৯টা সহকাৰী কাৰাধ্যক্ষ, এহেজাৰ ৫২ টা কনিষ্টবলকে ধৰি বিভিন্ন পৰ্যায়ৰ পদৰ বাবে প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ২২ ডিচেম্বৰত স্বাস্থ্য বিভাগৰ চাকৰিৰ নিযুক্তিপত্ৰ আৰু ২৩ ডিচেম্বৰত চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীসকলক নিযুক্তিপত্ৰ প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰিছে। একেদৰে ১৫ জানুৱাৰীৰ আশে পাশে এ ডি আৰ ইৰ তৃতীয় বৰ্গৰ আৰু ১০ ফেব্ৰুৱাৰীৰ ভিতৰত অন্য বিভাগীয় চাকৰিৰ নিযুক্তিপত্ৰ বিতৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে।

000

ধেমাজিৰ মৰিধল মহাবিদ্যালয় ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদ এন চি টি ইৰ পৰা সংহত শিক্ষক শিক্ষা কাৰ্যসূচীৰ অধীনত ২০২৬-২৭ শিক্ষাবৰ্ষৰ পৰা  ৪ বছৰীয়া বি এ, বি এড আৰু বি এছ্ চি বি এড পাঠ্যক্ৰমৰ বাবে স্বীকৃতি লাভ কৰিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰে। তেওঁ কয় যে এন চি টি ইৰ এই সিদ্ধান্তই ৰাজ্যত গুণগত শিক্ষক-শিক্ষাৰ পথ প্ৰশস্ত কৰিব আৰু ভৱিষ্যতৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক সবল কৰি তুলিব।

000

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল কাইলৈ উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া সাত বজাত আৰম্ভ হ'ব। ভাৰত সম্প্ৰতি শৃংখলাত ২-১ ফলাফলত আগবাঢ়ি আছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল অহা ১৯ ডিচেম্বৰত আহমেদাবাদত অনুষ্ঠিত হ'ব।

000

**ঃঃ সমাপ্ত ঃঃ**